উষা প্ৰিয়ম্বদা

# ৱাপছী

গজাধৰ বাবুৱে কোঠাৰ বস্তুবিলাকত এবাৰ চকু ফুৰালে— এটা পানী ৰখা সৰু পাত্ৰ, দুটা বাকচ, বাল্টি।

এই টেমাতো তোমাৰ কেনে লাগিছে গণেশী? গজাধৰে সুধিলে—। গণেশীয়ে বিচনা বান্ধি বান্ধি কিছু গৰ্ব, দুখ আৰু লাজ ভাবেৰে ক'লে--

ঘৰবালীয়ে চাহৰ লগত খাবৰ কাৰণে বেচনৰ লাডু দি গৈছে ; কৈছে-- বাবুজীয়ে ভাল পায়, আমি গৰীব মানুহ আৰুনো কি দিম! ঘৰলৈ ওভতাৰ আনন্দৰ মাজতো গজাধৰ বাবুৰে মনত এক বিষাদ অনুভৱ কৰিলে। যেন এক চিৰপৰিচিত স্নেহময় সৰল, সহজ সংসাৰৰ লগত তেওঁৰ সম্পৰ্ক শেষ হৈ গ'ল।

মাজে মাজে আমাৰ খবৰো লৈ থাকিব। গণেশীয়ে বিচনা বান্ধি বান্ধিয়েই ক'লে। কেতিয়াবা কিবা প্ৰয়োজন হ'লে লিখিবা, গণেশী, এই বছৰৰ ভিতৰতে জীয়েৰাৰ বিয়াখন পাতি পেলোৱা।

গণেশীয়ে আঙুলীৰ আগেৰে চকু মোহাৰি ক'লে--

এতিয়া আপোনালোকে সহায় নকৰিলে আৰু কোনে কৰিব! আপুনি ইয়াত থকা হ'লে বিয়াখনত অলপ সাহস পালোহেঁতেন।

গজাধৰ বাবুৱে যাবলৈ সাজু হৈ বহি আছিল। ৰেলৱে-কোৱাৰ্টাৰৰ এই কোঠাতো-য'ত তেওঁলোকে ইমান দিন কটালে, তেওঁলোকৰ বয়-বস্তু সমূহ আঁতৰোৱাৰ লগে লগে অশুৱনি আৰু এলাগী যেন অনুভৱ হৈছে। বাৰীখনত ৰোৱা গছপুলি বিলাকো কোনো কোনো চিনাকী মানুহে লৈ গৈছে। তাত কেৱল ঠায়ে ঠায়ে মাটিৰ টুকুৰা কিছুমানহে সিচঁৰতি হৈ আছে। কিন্তু পত্নী-ল'ৰা-ছোৱালীৰ লগত সংসাৰ কৰাৰ কল্পনা ইয়াতেই এক দুৰ্বল চৌৰ দৰে ওফন্দি উঠি পুনৰ বিলীন হৈ গ'ল।

গজাধৰ বাবু সুখী আছিল । ক'বলৈ গ'লে বহুত সুখী। পঁয়ত্ৰিছ বছৰ কাল চাকৰি কৰাৰ পিছত অৱসৰ লৈ যাবলৈ ওলাইছে। এই সুদীৰ্ঘ সময়ৰ অধিকাংশ সময় তেওঁ অকলেই কটালে। এই অকলশৰীয়া মুহূৰ্তবোৰত তেওঁ কেৱল কল্পনা কৰিয়েই পাৰ কৰিছিল যে এদিন তেওঁ আপোন পৰিয়ালৰ সৈতে থাকিবলৈ পাব। এই আশাৰ সহায়তেই তেওঁ সকলো কষ্ট পাহৰি আছিল। সাংসাৰিক দৃষ্টিৰে চালে তেওঁৰ জীৱন সফল হৈছে বুলি ক'ব পাৰি। তেওঁ চহৰত এটা ডাঙৰ ঘৰ বান্ধিছে; ডাঙৰ ল'ৰা অমৰ আৰু জীয়েক কান্তিৰ ইতিমধ্যে বিয়া

হৈ গৈছে, দুটা ল'ৰা-ছোৱালীয়ে উচ্চ শ্ৰেণীত পঢ়ি আছে। গজাধৰ বাবুৰে চাকৰি সূত্ৰে প্ৰায়ে সৰু ষ্টেচন বিলাকত থাকিব লগাত পৰে আৰু তেওঁৰ পত্নীয়ে ল'ৰা-ছোৱালীৰে সৈতে চহৰত থাকে। সেইকাৰণে সিহঁতৰ পঢ়া-শুনাত কোনো অসুবিধা নহয়। গজাধৰ বাবু স্বভাৱতে বৰ মৰমীয়াল মানুহ আছিল আৰু নিজেও বৰ মৰম আকলুৱা আছিল। যেতিয়া তেওঁৰ পত্নী লগত আছিল, তেতিয়া কামৰ পৰা ঘূৰি আহি ল'ৰা-ছোৱালী আৰু পত্নীৰে সৈতে খেলা-ধূলা, হাঁহি-তামচা কৰিছিল। তেওঁলোকে আঁতৰি যোৱাৰ পিছত তেওঁৰ জীৱন গভীৰ শূন্যতাই আবৰি ধৰিলে। এই সময়খিনি তেওঁৰ নাযায়-নুপুৱাই যেন লাগিছিল। সকলো সময়তে তেওঁৰ মনৰ মাজত পত্নীৰ স্নেহপূৰ্ণ কথা আৰু ব্যৱহাৰ অহা-যোৱা কৰি আছিল। দুপৰীয়া গৰমৰ দিনতো দুই বজালৈকে আখলৰ জুই জ্বলাই ৰাখিছিল আৰু তেওঁ ষ্টেচনৰ পৰা উভতি অহাৰ লগে লগে গৰম গৰম ৰুটী সেঁকি দিছিল। তেওঁ খাই থাকোঁতে মানা কৰিলেও আৰু অলপ বেছিকৈ দিছিল আৰু অতি আগ্ৰহেৰে খাই শেষ হোৱালৈ কাষতে ৰৈ থাকিছিল। যেতিয়া তেওঁ ভাগৰি-জুগৰি বাহিৰৰ পৰা আহিছিল তেতিয়া তেওঁৰ আহত খোজ ৰান্ধনী ঘৰৰ দুৱাৰ দলিত ৰৈ গৈছিল আৰু তেওঁৰ সলাজ চকুৰ ওপৰেৰে ঈষৎ হাঁহি বাগৰি গৈছিল। গজাধৰ বাবুৰ এই সকলো সৰু সৰু কথাই মনলৈ আহে আৰু তেওঁ উদাস হৈ পৰে। এতিয়া কিমান বছৰৰ মূৰত তেওঁ কামৰ পৰা অৱসৰ পাইছে আৰু সেই স্নেহ আৰু আদৰৰ মাজত থাকিবলৈ সুবিধা পাইছে।

টুপীটো খুলি গজাধৰ বাবুৰে খাটৰ ওপৰত থ'লে, জোটাজোৰ খুলি তলৰ ফালে ঠেলি দিলে। ভিতৰত কোনোবাই কথা পতাৰ শব্দ ভাঁহি আহিছিল; বন্ধৰ দিন আছিল; তেওঁৰ আটাইকেইজন ল'ৰা-ছোৱালীয়ে একেলগে পুৱাৰ চাহ-জলপান খাই আছিল।

গজাধৰ বাবুৰ শুকান মুখখনৰ ওপৰেৰে এটা স্নিগ্ধ হাঁহি বাগৰি গ'ল। সেইদৰে হাঁহি হাঁহিয়েই তেওঁ কোনো জাননী নিদিয়াকৈ ভিতৰলৈ সোমাই আহিল। তেওঁ দেখিলে যে নৰেন্দ্ৰই কঁকালৰ ওপৰত হাত এখন ৰাখি কোনো এটা নৃত্যৰ আখৰা কৰি আছে ; বোধহয় যোৱা ৰাতি চোৱা চিনেমাত দেখা কোনো নৃত্যৰ নকল কৰিবলৈ চেষ্টা কৰিছে। আৰু বাসন্তীয়ে তাকে দেখি হাঁহি হাঁহি বাগৰি পৰিছে। অমৰৰ পত্নীয়েও অসংযত বেশভূষাৰে হাঁহিত যোগ দিছে। গজাধৰ বাবুক দেখাৰ লগে লগে নৰেন্দ্ৰ তৎক্ষণাত বহি পৰিল আৰু চাহ খাবলৈ আৰম্ভ কৰিলে। বোৱাৰীয়েক সচেতন হ'ল আৰু লৰালৰিকৈ ওৰণিৰে মূৰ ঢাকি ল'লে; কেৱল বাসন্তীয়ে জোৰ কৰি হাঁহিত কঁপি উঠা শৰীৰটো স্থিৰ কৰিবলৈ চেষ্টা কৰিলে।

গজাধৰ বাবুৰে হাঁহি হাঁহি তেওঁলোকলৈ চাই ৰ'ল। ক্ষন্তেক পিছত তেওঁ ক'লে-

—কি হ'ল নৰেন্দ্ৰ? কিহৰ নকল কৰি আছিলা?

—একো নহয় বাবুজী।

নৰেন্দ্ৰই কওঁ নকওঁকৈ ক'লে। গজাধৰ বাবুৰে মনে মনে কামনা কৰিছিল যে তেৰোঁ এই মনোৰঞ্জনত ভাগ ল'ব। কিন্তু তেওঁ অহাৰ লগে লগে তেওঁলোক যেনেদৰে মৌন হৈ পৰিল তাকে দেখি তেওঁ মনে মনে ক্ষুণ্ণ হ'ল। তেওঁ বহি পৰিল আৰু ক'লে—

বাসন্তী চাহ মোকো দিয়া। তোমাৰ মাৰাৰ পূজা এতিয়ালৈকে চলি আছে নেকি?

বাসন্তীয়ে মাকৰ কোঠাৰ ফালে চালে আৰু ক'লে—

—এতিয়াই আহিব।

তাৰ পিছত কাপ এটাত তেওঁৰ কাৰণে চাহ বাকিবলৈ ধৰিলে।

বোৱাৰীয়েক আগতেই মনে মনে কোঠাৰপৰা ওলাই গৈছিল। এতিয়া নৰেন্দ্ৰও চাহকাপত শেষ ঢোক মাৰি থিয় হ'ল। কেৱল বাসন্তীয়ে সংকুচিত মনেৰে চকীত বহি মাকলৈ আপেক্ষা কৰি ৰ'ল।

গজাধৰ বাবুৱে চাহত শোহা মাৰি ক'লে—

—আইজনী চাহকাপ দেখোন সেৰেকা।

—দিয়া অলপ চেনী ঘুটি দিওঁ—বাসন্তীয়ে ক'লে।

—থাওক দিয়া । তোমাৰ মা যেতিয়া আহিব তেতিয়াই খাম বাৰু!

কিছুসময় পিছত তেওঁৰ পত্নী পূজাঘৰৰ পৰা ওলাই আহিল! তেওঁক দেখাৰ লগে লগে বাসন্তীও তাৰ পৰা আঁতৰি গ'ল। পত্নীয়ে তেওঁক অকলে অকলে বহি থকা দেখি ক'লে—

—আৰে আপুনি অকলেই বহি আছে! ইহঁত ক'লৈ গ'ল?

গজাধৰ বাবুয়ে আহত কণ্ঠেৰে ক'লে— সকলোৱে নিজৰ কামত লাগিছেগৈ । যাহওক সৰু হৈ আছেতো।

পত্নী এখন চকীত বহিল। তেওঁ কোঠাটোৰ চাৰিওফালে খোৱা বাচন-বৰ্তনবোৰ সিচঁৰতি হৈ থকা দেখি বিৰক্তিত নাক কোচাই ক'লে—

—এই ঘৰত ধৰম-কৰম নোহোৱা হ'ল।

তাৰপিছত তেওঁ কাম কৰা ল'ৰাটোক চিঞৰিলে। কোনো সহাঁৰি নাপাই দুগুণ জোৰে চিঞৰিলে; তথাপি কোনো মাত নাপাই নিজকে নিজে কোৱাদি ক'লে —

—বোধহয় বোৱাৰীয়ে বজাৰলৈ পঠাইছে! তাৰপিছত এবাৰ দীঘলকৈ উশাহ টানি মনে মনে থকিল।

গজাধৰ বাবুয়ে বহি বহি চাহ-জলপানৰ কাৰণে অপেক্ষা কৰি ৰ'ল। হঠাৎ তেওঁৰ গণেশীলৈ মনত পৰি গ'ল। প্ৰতিদিনে ৰাতিপুৱা যাত্ৰীবাহী ৰে'লখন আহি পোৱাৰ আগতেই তাই গৰম গৰম পুৰী আৰু জিলাপী বনাই থয়। গজাধৰ বাবুয়ে কাপোৰ- কানি পিন্ধি সাজু হোৱাৰ লগে লগেই তাই জিলাপী আৰু চাহ দি যায়। চাহো ইমান ভাল যে কাঁচৰ গিলাচটোত গাঢ় গোলাপী ৰংটো তিৰবিৰাই থাকে। ৰে'ল আহি ৰাণীপুৰত ৰোৱাৰ লগে লগেই গণেশীয়ে যাত্ৰীসকলক চাহৰ যোগান ধৰিবলৈ পলম নকৰে। কাৰ সাধ্য আছে যে তাইৰ চাহ বেয়া বুলি কয়!

পত্নীৰ অভিযোগ ভৰা কণ্ঠই তেওঁৰ চিন্তাত যতি পেলালে। তেওঁ কৈ আছে—

—গোটেই দিন এনেদৰে বিৰক্তিৰ মাজেৰেই পাৰ হৈ যায়। এই ঘৰখনৰ গেবাৰি খাটোতে খাটোতেই বয়স গ'ল। সহায় কৰোঁতা কোনো নাই।

—বোৱাৰীয়ে কি কৰে? গজাধৰ বাবুৱে সুধিলে।

—বিচনাত পৰি থাকে। বাসন্তীও; কিবা কৰিবলৈ ক'লে কয়—কলেজ আছে।

গজাধৰ বাবুৱে অলপ টান মাতেৰেই বাসন্তীক মাতিলে। নবৌৱেকৰ কোঠাৰ পৰা বাসন্তী ওলাই আহিল; তেওঁ ক'লে—

—বাসন্তী আজিৰপৰা নিশাৰ আহাৰ ৰন্ধাৰ দায়িত্ব তোমাৰ। আৰু ৰাতিপুৱাৰ সাজ তোমাৰ নবৌয়েৰাই ৰান্ধিব।

—বাসন্তীয়ে মুখ ঘূৰাই ক'লে—

—বাবুজী পঢ়িবওতো লাগে।

গজাধৰ বাবুয়ে মৰমেৰে বুজালে—

তুমি ৰাতিপুৱাৰ ভাগতে পঢ়াৰ কাম কৰিবা; তোমাৰ মাৰা এতিয়া বুঢ়ী হৈ আহিছে। তেওঁৰ দেহত এতিয়া আগৰ দৰে শক্তি নাই নহয়। তুমি আছা, তোমাৰ বৌয়েৰা আছে। দুয়ো মিলি-জুলি ঘৰৰ কামখিনি কৰিলেই হ'ল। নহয় জানো? বাসন্তী মনে মনে থাকিল। তাই আঁতৰি যোৱাৰ পিছত মাকে লাহেকৈ ক'লে—

—পঢ়াতো এটা অজুহাতহে। কেতিয়াও পঢ়াত মনেই নবহে। বহিব কেনেকৈ? শীলাহঁতৰ ঘৰতেই সৰহভাগ সময় সোমাই থাকে। সিহঁতৰ ঘৰত ডাঙৰ ডাঙৰ ল'ৰা আছে। মোৰ এইবোৰ অলপো ভাল নালাগে। বাধা দিলেও একো নুশুনে।

চাহ-জলপান খাই গজাধৰ বাবু চ'ৰাঘৰলৈ গ'ল। ঘৰটো সৰু আছিল। এতিয়া এনে এটা অৱস্থা হৈছে যে গজাধৰ বাবু থাকিবৰ কাৰণে অলপো খালী ঠাই নোহোৱা হৈছে। দুদিনীয়া আলহী থাকিবৰ কাৰণে যিদৰে অস্থায়ী ব্যৱস্থা কৰা হয় ঠিক তেনেকৈ চ'ৰাঘৰৰ আচবাব পত্ৰ ইফাল সিফাল কৰি তেওঁৰ কাৰণে এখন নিতান্তই সৰু আৰু পাতল বিচনা পাৰি দিয়া হৈছে। গজাধৰ বাবুৱে সেই বিচনাখনতে শুই শুই কেতিয়াবা কেতিয়াবা নিজে নভবাকৈয়ে এই অস্থায়ীত্বৰ কথা অনুভৱ কৰে। তেওঁৰ মনলৈ আহে সেই ৰে'লগাড়ীবোৰৰ কথা যি আহে আৰু কিছু সময়ৰ কাৰণে এটা ষ্টেচনত ৰয় আৰু পিছত অন্য লক্ষ্যস্থানলৈ গতি কৰে।

ঘৰ সৰু হোৱাৰ কাৰণে চ'ৰাঘৰতেই তেওঁ এনেদৰে থাকিব লগা হৈছে। তেওঁৰ পত্নীৰ কাৰণে এটা সৰু কোঠা অৱশ্যে আছে কিন্তু কোঠাটোৰ প্ৰায় অধিকাংশই দাইল-চাউলৰ টেমা, আচাৰৰ বটল, ঘিউ, মিঠাতেলৰ টিনেৰে ঠাহ খাই আছে। আন এটা অংশত আছে এটা ডাঙৰ টিনৰ বাকচত ভৰাই ৰখা ঘৰৰ সমস্ত গৰম-কাপোৰ। মাজতে এডাল ৰছী বান্ধি থোৱা আছে, য'ত ওৰে দিনটো বাসন্তীৰ কাপোৰ-কানি বিলাক বিশৃংখলকৈ পৰি থাকে। ঘৰৰ আনটো কোঠাত অমৰ আৰু তেওঁৰ পত্নী থাকে। সন্মুখৰ ফালৰ তৃতীয়টো কোঠাই চ'ৰাঘৰ। গজাধৰ বাবু অহাৰ আগতে তাত অমৰৰ শহুৰেকৰ ঘৰৰ পৰা অনা তিনিখনীয়া বেতৰ চকীৰ এটা চেট পাতি থোৱা আছিল।

কেতিয়াবা তেওঁৰ পত্নীৰ দীঘলীয়া অভিযোগ থকিলে নিজৰ চটাইখন চ'ৰাঘৰত পাতি লয়। এদিন তেনেকৈ তেওঁ চটাইখন লৈ আহিল। গজাধৰ বাবুৱে ঘৰ সংসাৰৰ কথা উলিয়ালে; তেওঁ ঘৰৰ পৰিস্থিতি আৰু পৰিবেশ মনে মনে লক্ষ্য কৰি আছিল। বৰ সাধাৰণভাৱে অতি

নিম্নস্বৰত তেওঁ ক'লে যে এতিয়া আৰু আগৰ দিন নাই। হাতলৈ টকা-পইচা কমকৈ আহে গতিকে ঘৰখনৰ অলাগতিয়াল কিছু খৰচ কমাব পাৰিলে ভাল।

—সকলো খৰচটো হিচাবমতেই কৰা হয়। কাৰ পেট কাটো? এইদৰে জোৰা-টাপলি মাৰি থাকোতেই বুঢ়ী হ'লোঁ। কোনে মনৰ কথা বুজিব!

গজাধৰ বাবুৱে আহত বিস্মৃত দৃষ্টিৰে পত্নীৰ মুখলৈ চাই ৰ'ল। পত্নীৰ ওচৰত তেওঁৰ আৰ্থিক সামৰ্থৰ কথা লুকাই থকা নাছিল। তেওঁৰ পত্নীৰ কথাও মিছা নহয়; সেয়া নুবুজা নহয়। কিন্তু তেওঁৰ কথাৰ সুৰত সহানুভূতিৰ লেশমাত্ৰও অভাৱে গজাধৰ বাবুৰ অন্তৰাত্মাত আঘাত হানিলে। তাতকৈ যদি কেনেকৈ ইয়াৰ সমাধান কৰিব পাৰে সেই বিষয়ে সামান্যভাৱেও আভাস দিলেহেঁতেন, তেনেহ'লে তেওঁৰ চিন্তা কমি যোৱাৰ লগতে সম্মোহিতও হ'লহেঁতেন। কিন্তু তেওঁতো সদায় কেৱল অভিযোগেই কৰি আহিছে যেন পৰিয়ালৰ সকলো অশান্তিৰ মূল তেৱেঁই।

—তোমাৰ কিহৰ অভাৱ অমৰৰ মা? ঘৰত বোৱাৰী আছে; ল'ৰা-ছোৱালী আছে, কেৱল টকাৰেই মানুহ চহকী হ'ব নোৱাৰে। গজাধৰ বাবুৱে কোৱাৰ লগে লগে অনুভৱো বাঢ়িল। তেওঁৰ এই আন্তৰিক অভিব্যক্তি তেওঁৰ পত্নীয়ে কেতিয়াও বুজিব নোৱাৰে।

—হয় বৰ সুখ বোৱাৰীৰপৰা। আজি ৰান্ধিবলৈ গৈছে নহয়; চাই থাকিব কি হয়— কৈয়েই তেওঁ চকু মুদিলে আৰু তেনেকৈয়ে টোপনি গ'ল।

গজাধৰ বাবুৱে পত্নীৰ মুখলৈ চাই ৰ'ল। এইজনীয়েই তেওঁৰ পত্নীনে! যাৰ হাতৰ কোমল স্পৰ্শ আৰু হাঁহিভৰা মুখৰ স্মৃতি সুঁৱৰি তেওঁ প্ৰায় সম্পূৰ্ণ জীৱন পাৰ কৰিলে। তেওঁৰ এনেকুৱা লাগিল যেন সেই লাৱণ্যময়ী তৰুণী জীৱন-পথত কেনিবা হেৰাই থকিল আৰু তেওঁৰ ঠাইত এতিয়া তেওঁৰ সন্মুখত যিগৰাকী তিৰোতা আছে তেওঁ যেন তেওঁৰ কাৰণে নিতান্তই অপৰিচিত, গভীৰ টোপনিত লালকাল তেওঁৰ পত্নীৰ গধুৰ শৰীৰ শ্ৰীহীন আৰু কুৰূপা দেখা গৈছিল। গজাধৰ বাবুৱে তেনেদৰেই বহি বহি অপলক নেত্ৰে পত্নীৰ মুখলৈ চাই ৰ'ল আৰু এসময়ত বিচনাৰ ওপৰত চিৎহৈ শুই পৰিল।

কিছু সময়ৰ পিছত ভিতৰত কিবা পৰাৰ শব্দ শুনি তেওঁৰ পত্নীয়ে ধহমহাই উঠি বহিল।

—নিশ্চয় মেকুৰীয়ে কিবা পেলাইছে।

কৈয়েই তেওঁ একপ্ৰকাৰ দৌৰিয়েই ভিতৰ পালেগৈ। কিছু সময়ৰ পিছত উভতি অহাত দেখা গ'ল--তেওঁৰ মুখখন ওন্দোলি আছে। তেওঁ ক'লে--

—দেখিলা বোৱাৰীৰ কাণ্ড! ৰান্ধনী ঘৰৰ দুৱাৰ বন্ধ নকৰাকৈয়ে এৰি থৈ আহিল। আনকি তৰকাৰীৰ কেৰাহীটোও ঢাকি ৰখা নাই। মেকুৰীয়ে সকলো খাই শেষ কৰিলে। এতিয়া কি খাবলৈ দিওঁ।

দীঘলকৈ উশাহ সলাই লৈ তেওঁ আকৌ ক'লে— এখন তৰকাৰী আৰু চাৰিটা পৰঠা বনাওঁতেই গোটেই টেমা ঘিউ শেষ কৰিলে, অলপো দয়া-মৰম নাই। আৰ্জোতাই জানে কিমান কষ্ট। ইফালে সকলো পানীৰ দৰে বোৱাই, মইটো আগতেই জানো যে এইবিলাক লৈ আন কোনেও হিচাবমতে কৰিব নোৱাৰে।

নিম্নস্বৰত তেওঁ ক'লে যে এতিয়া আৰু আগৰ দিন নাই। হাতলৈ টকা-পইচা কমকৈ আহে গতিকে ঘৰখনৰ অলাগতিয়াল কিছু খৰচ কমাব পাৰিলে ভাল।

—সকলো খৰচটো হিচাবমতেই কৰা হয়। কাৰ পেট কাটো? এইদৰে জোৰা-টাপলি মাৰি থাকোতেই বুঢ়ী হ'লোঁ। কোনে মনৰ কথা বুজিব!

গজাধৰ বাবুৱে আহত বিস্মৃত দৃষ্টিৰে পত্নীৰ মুখলৈ চাই ৰ'ল। পত্নীৰ ওচৰত তেওঁৰ আৰ্থিক সামৰ্থৰ কথা লুকাই থকা নাছিল। তেওঁৰ পত্নীৰ কথাও মিছা নহয়; সেয়া নুবুজা নহয়। কিন্তু তেওঁৰ কথাৰ সুৰত সহানুভূতিৰ লেশমাত্ৰও অভাৱে গজাধৰ বাবুৰ অন্তৰাত্মাত আঘাত হানিলে। তাতকৈ যদি কেনেকৈ ইয়াৰ সমাধান কৰিব পাৰে সেই বিষয়ে সামান্যভাৱেও আভাস দিলেহেঁতেন, তেনেহ'লে তেওঁৰ চিন্তা কমি যোৱাৰ লগতে সম্মোহিতও হ'লহেঁতেন। কিন্তু তেওঁতো সদায় কেৱল অভিযোগেই কৰি আহিছে যেন পৰিয়ালৰ সকলো অশান্তিৰ মূল তেৱেঁই।

—তোমাৰ কিহৰ অভাৱ অমৰৰ মা? ঘৰত বোৱাৰী আছে; ল'ৰা-ছোৱালী আছে, কেৱল টকাৰেই মানুহ চহকী হ'ব নোৱাৰে। গজাধৰ বাবুৱে কোৱাৰ লগে লগে অনুভৱো বাঢ়িল। তেওঁৰ এই আন্তৰিক অভিব্যক্তি তেওঁৰ পত্নীয়ে কেতিয়াও বুজিব নোৱাৰে।

—হয় বৰ সুখ বোৱাৰীৰপৰা। আজি ৰান্ধিবলৈ গৈছে নহয়; চাই থাকিব কি হয়— কৈয়েই তেওঁ চকু মুদিলে আৰু তেনেকৈয়ে টোপনি গ'ল।

গজাধৰ বাবুৱে পত্নীৰ মুখলৈ চাই ৰ'ল। এইজনীয়েই তেওঁৰ পত্নীনে! যাৰ হাতৰ কোমল স্পৰ্শ আৰু হাঁহিভৰা মুখৰ স্মৃতি সুৱঁৰি তেওঁ প্ৰায় সম্পূৰ্ণ জীৱন পাৰ কৰিলে। তেওঁৰ এনেকুৱা লাগিল যেন সেই লাৱণ্যময়ী তৰুণী জীৱন-পথত কেনিবা হেৰাই থকিল আৰু তেওঁৰ ঠাইত এতিয়া তেওঁৰ সন্মুখত যিগৰাকী তিৰোতা আছে তেওঁ যেন তেওঁৰ কাৰণে নিতান্তই অপৰিচিত, গভীৰ টোপনিত লালকাল তেওঁৰ পত্নীৰ গধুৰ শৰীৰ শ্ৰীহীন আৰু কুৰূপা দেখা গৈছিল। গজাধৰ বাবুৱে তেনেদৰেই বহি বহি অপলক নেত্ৰে পত্নীৰ মুখলৈ চাই ৰ'ল আৰু এসময়ত বিচনাৰ ওপৰত চিৎহৈ শুই পৰিল।

কিছু সময়ৰ পিছত ভিতৰত কিবা পৰাৰ শব্দ শুনি তেওঁৰ পত্নীয়ে ধহমহাই উঠি বহিল।

—নিশ্চয় মেকুৰীয়ে কিবা পেলাইছে।

কৈয়েই তেওঁ একপ্ৰকাৰ দৌৰিয়েই ভিতৰ পালেগৈ। কিছু সময়ৰ পিছত উভতি অহাত দেখা গ'ল--তেওঁৰ মুখখন ওন্দোলি আছে। তেওঁ ক'লে--

—দেখিলা বোৱাৰীৰ কাণ্ড! ৰান্ধনী ঘৰৰ দুৱাৰ বন্ধ নকৰাকৈয়ে এৰি থৈ আহিল। আনকি তৰকাৰীৰ কেৰাহীটোও ঢাকি ৰখা নাই। মেকুৰীয়ে সকলো খাই শেষ কৰিলে। এতিয়া কি খাবলৈ দিওঁ।

দীঘলকৈ উশাহ সলাই লৈ তেওঁ আকৌ ক'লে— এখন তৰকাৰী আৰু চাৰিটা পৰঠা বনাওঁতেই গোটেই টেমা ঘিউ শেষ কৰিলে, অলপো দয়া-মৰম নাই। আৰ্জোতাই জানে কিমান কষ্ট । ইফালে সকলো পানীৰ দৰে বোৱাই, মইটো আগতেই জানো যে এইবিলাক ...ম আন কোনেও হিচাবমতে কৰিব নোৱাৰে।

গজাধৰ বাবুৰ এনেকুৱা লাগিল যেন তেওঁৰ কাণ দুখন ফাটিহে যাব। তেওঁ পত্নীৰ ফালে পিঠি ঘূৰাই শুই থাকিল। ৰাতিৰ আহাৰ বাসন্তীয়ে ইচ্ছা কৰিয়েই এনেকৈ বনালে যে কোনোমতে এগৰাহো গিলিব নোৱাৰি। গজাধৰ বাবুৱে কিন্তু তেনেকৈয়ে মনে মনে খাই উঠি গ'ল। কিন্তু নৰেন্দ্ৰই কাঁহীখন ঠেকেচা মাৰি থৈ থিয় হ'ল আৰু ক'লে—

—মই এনেকুৱা খাদ্য খাব নোৱাৰোঁ।

বাসন্তীয়ে মুখ পাতি ক'লে—

—তেনেহ'লে নাখাবা, কোনে তোমাক খাতিৰ কৰি আছে?

—তোমাক খানা বনাবলৈ কৈছিল কোনে? নৰেন্দ্ৰই আটাহ পাৰি ক'লে,

—বাবুজীয়ে।

—বাবুজীয়ে বহি বহি ইয়াকেহে ভাবিব পাৰিলে?

বাসন্তীক ভিতৰলৈ পঠাই দি মাকে নৰেন্দ্ৰক বুজালে আৰু নিজেই কিবা-কিবি বনাই খুৱালে, পিছত গজাধৰ বাবুৱে পত্নীক ক'লে—

—ইমানজনী হ'লহি আজিলৈকে একো এটা ৰান্ধিবলৈ নিশিকিলে।

—জনাতেতো সকলো জানে। কৰিবলৈ নিবিচাৰে। —পত্নীয়ে উত্তৰ দিলে।

পিছদিনা সন্ধিয়া মাকক ৰান্ধনী ঘৰত দেখি বাসন্তীয়ে সাজ-পোছাক কৰি বাহিৰলৈ ফুৰিবলৈ ওলাই গৈছে। এনেতে চ'ৰাঘৰত বহি থকা গজাধৰ বাবুৱে ক'লে—

—কোনফালে যোৱা?

—ওচৰৰ শীলাহঁতৰ ঘৰলৈ—বাসন্তীয়ে ক'লে।

—কোনো প্ৰয়োজন নাই। ভিতৰলৈ গৈ পঢ়া-শুনা কৰা—গজাধৰ বাবুৱে অলপ টান মাতেৰেই ক'লে। কিছু সময় তেনেকৈয়ে থিয় হৈ থাকি বাসন্তী ভিতৰলৈ সোমাই গ'ল। গজাধৰ বাবুৱে আবেলি সদায় ফুৰিবলৈ ওলাই যায়; সেইদিনাও গ'ল। উভতি অহাৰ পিছত তেওঁক পত্নীয়ে ক'লে—

—কি ক'লেনো বাসন্তীক? আবেলিৰে পৰা মুখ ওন্দোলাই আছে। একোকে নাখালেও।

গজাধৰ বাবুৰ খং উঠিল। কিন্তু পত্নীৰ কথাৰ তেওঁ কোনো উত্তৰ নিদিলে। তেওঁ মনতে স্থিৰ কৰিলে যে যিমান পাৰি সোনকালে বাসন্তীৰ বিয়া পাতি দিয়া উচিত হ'ব। সেই দিনাৰেপৰা বাসন্তীয়ে দেউতাকৰ পৰা আঁতৰি আঁতৰি ফুৰিবলৈ ল'লে। ক'ৰবালৈ যাবলগা হ'লেও পিছদুৱাৰেদি যায়। এই বিষয়ে গজাধৰ বাবুৱে দুই এবাৰ পত্নীক সোধোতে ক'লে যে—

—অভিমান কৰি আছে।

গজাধৰ বাবুৰ খঙে চুলিৰ আগ পালেগৈ। সাধাৰণ ছোৱালী এজনীৰ ইমান স্পৰ্দ্ধা। যাবলৈ বাধা দিলো কাৰণেই দেউতাককে নামাতে! পিছত আকৌ তেওঁৰ পত্নীয়ে জনালে যে —অমৰে বেলেগহৈ থকাৰ কথা ভাবিছে।

—কিয়? গজাধৰ বাবুৱে আচৰিত হৈ সুধিলে।

পত্নীয়ে পোনপটীয়াকৈ কোনো উত্তৰ নিদিলে। অমৰ আৰু বোৱাৰীয়েকৰ অভিযোগৰ

গজাধৰ বাবুৰ এনেকুৱা লাগিল যেন তেওঁৰ কাণ দুখন ফাটিহে যাব। তেওঁ পত্নীৰ ফালে পিঠি ঘূৰাই শুই থাকিল। ৰাতিৰ আহাৰ বাসন্তীয়ে ইচ্ছা কৰিয়েই এনেকৈ বনালে যে কোনোমতে এগৰাহো গিলিব নোৱাৰি। গজাধৰ বাবুৰে কিন্তু তেনেকৈয়ে মনে মনে খাই উঠি গ'ল। কিন্তু নৰেন্দ্ৰই কাঁহীখন ঠেকেচা মাৰি থৈ থিয় হ'ল আৰু ক'লে—

—মই এনেকুৱা খাদ্য খাব নোৱাৰোঁ।

বাসন্তীয়ে মুখ পাতি ক'লে—

—তেনেহ'লে নাখাবা, কোনে তোমাক খাতিৰ কৰি আছে?

—তোমাক খানা বনাবলৈ কৈছিল কোনে? নৰেন্দ্ৰই আটাহ পাৰি ক'লে,

—বাবুজীয়ে।

—বাবুজীয়ে বহি বহি ইয়াকেহে ভাবিব পাৰিলে?

বাসন্তীক ভিতৰলৈ পঠাই দি মাকে নৰেন্দ্ৰক বুজালে আৰু নিজেই কিবা-কিবি বনাই খুৱালে, পিছত গজাধৰ বাবুৰে পত্নীক ক'লে—

—ইমানজনী হ'লহি আজিলৈকে একো এটা ৰান্ধিবলৈ নিশিকিলে।

—জনাততো সকলো জানে। কৰিবলৈ নিবিচাৰে। —পত্নীয়ে উত্তৰ দিলে।

পিছদিনা সন্ধিয়া মাকক ৰান্ধনী ঘৰত দেখি বাসন্তীয়ে সাজ-পোছাক কৰি বাহিৰলৈ ফুৰিবলৈ ওলাই গৈছে। এনেতে চ'ৰাঘৰত বহি থকা গজাধৰ বাবুৰে ক'লে—

—কোনফালে যোৱা?

—ওচৰৰ শীলাহঁতৰ ঘৰলৈ—বাসন্তীয়ে ক'লে।

—কোনো প্ৰয়োজন নাই। ভিতৰলৈ গৈ পঢ়া-শুনা কৰা—গজাধৰ বাবুৰে অলপ টান মাতেৰেই ক'লে। কিছু সময় তেনেকৈয়ে থিয় হৈ থাকি বাসন্তী ভিতৰলৈ সোমাই গ'ল। গজাধৰ বাবুৰে আবেলি সদায় ফুৰিবলৈ ওলাই যায়; সেইদিনাও গ'ল। উভতি অহাৰ পিছত তেওঁক পত্নীয়ে ক'লে—

—কি ক'লেনো বাসন্তীক? আবেলিৰে পৰা মুখ ওন্দোলাই আছে। একোকে নাখালেও।

গজাধৰ বাবুৰ খং উঠিল। কিন্তু পত্নীৰ কথাৰ তেওঁ কোনো উত্তৰ নিদিলে। তেওঁ মনতে স্থিৰ কৰিলে যে যিমান পাৰি সোনকালে বাসন্তীৰ বিয়া পাতি দিয়া উচিত হ'ব। সেই দিনাৰেপৰা বাসন্তীয়ে দেউতাকৰ পৰা আঁতৰি আঁতৰি ফুৰিবলৈ ল'লে। ক'ৰবালৈ যাবলগা হ'লেও পিছদুৱাৰেদি যায়। এই বিষয়ে গজাধৰ বাবুৰে দুই এবাৰ পত্নীক সোধোতে ক'লে যে—

—অভিমান কৰি আছে।

গজাধৰ বাবুৰ খঙে চুলিৰ আগ পালেগৈ। সাধাৰণ ছোৱালী এজনীৰ ইমান স্পৰ্দ্ধা। যাবলৈ বাধা দিলো কাৰণেই দেউতাককে নামাতে! পিছত আকৌ তেওঁৰ পত্নীয়ে জনালে যে —অমৰে বেলেগহৈ থকাৰ কথা ভাবিছে।

—কিয়? গজাধৰ বাবুৰে আচৰিত হৈ সুধিলে।

পত্নীয়ে পোনপটীয়াকৈ কোনো উত্তৰ নিদিলে। অমৰ আৰু বোৱাৰীয়েকৰ অভিযোগৰ

অন্ত নাই। তেওঁলোকে কৈছে যে— গজাধৰ বাবু সকলো সময়তে চ'ৰাঘৰৰ বিচনাখনত শুই থকাৰ কাৰণে ঘৰলৈ অহা আলহী-অতিথিক বহাবলৈকো ঠাই নোহোৱা হৈছে। অমৰক তেওঁ এতিয়াও সৰু ল'ৰাৰ দৰে ভাবি ওলাওঁতে সোমাওঁতে যিকোনো কথাতে দাবী-ধমকি দি থাকে। বোৱাৰীয়ে কাম কৰিব লগা হৈছে আৰু তথাপিও যিকোনো কথাতে টান মাত শুনিবলগাত পৰিছে।

—মই অহাৰ আগতে এনে ধৰণৰ কথা-বতৰা চলিছিল নেকি? —গজাধৰ বাবুৱে সুধিলে।

—পত্নীয়ে মূৰ দুপিয়াই নাই হোৱা বুলি জনালে। আগতে অমৰেই ঘৰৰ গৰাকী আছিল। বোৱাৰীক কওঁতা কোনো নাছিল। অমৰে প্ৰায়েই চ'ৰাঘৰত বহি বন্ধুৰ লগত আড্ডা দিছিল আৰু ভিতৰৰ পৰা তেওঁলোকক চাহ-জলপানৰ যোগান ধৰা হৈছিল, বাসন্তীৰো এইবিলাক ভাল লাগিছিল।

গজাধৰ বাবুৱে অতি ধীৰে ধীৰে ক'লে—

অমৰক কোৱা —ইমান ততাতৈয়া কৰাৰ কোনো প্ৰয়োজন নাই।

পিছদিনা তেওঁ বাহিৰৰ পৰা ঘূৰি আহি দেখে যে চ'ৰাঘৰত তেওঁৰ বিচনাখন নোহোৱা হৈছে। ভিতৰলৈ আহি সুধিবলৈ ধৰোঁতেই তেওঁৰ দৃষ্টি ৰান্ধনীঘৰৰ ভিতৰত বহি থকা পত্নীৰ ওপৰত পৰিলত তেওঁ কিবা ক'বলৈ মুখ মেলিছিল যদিও হঠাৎ কিবা ভাবি মনে মনে থাকিল। পত্নীৰ কোঠালৈ দৃষ্টি দি তেওঁ দেখে যে— আচাৰ, দাইল আদিৰ টেমাৰ মাজত তেওঁৰ বিচনাখন পাৰি থোৱা আছে। গজাধৰ বাবুৱে কোটতো খুলিলে আৰু থ'বৰ কাৰণে ঠাই বিচাৰিলে। পিছত তেওঁ আৰি থোৱা ৰছীডালৰ কিছু কাপোৰ আঁতৰাই তাতে কোটতো থ'লে। একো নোখোৱাকৈয়ে তেওঁ বিচনাত দীঘল দিলে। যি কি নহওক তেওঁ মানসিকভাৱে একপ্ৰকাৰ ভাগি পৰিল। ৰাতিপুৱা-গধুলি অৱশ্যে সদায় ফুৰিবলৈ যায়। কিন্তু ঘূৰি অহাৰ পথত তেওঁৰ সদায় কঁপনি উঠে।

গজাধৰ বাবুৰ নিজৰ আহল-বহল-মুকলি চৰকাৰী নিবাসটোৰ কথা মনলৈ আহিবলৈ ধৰিলে। এটা নিশ্চিত জীৱন। ৰাতিপুৱা যাত্ৰীবাহী ৰে'ল অহালৈকে ষ্টেচনত ইফাল-সিফাল কৰা; চিৰ পৰিচিত চেহেৰা আৰু ৰে'লৰ ঝক্ ঝক্ শব্দ তেওঁৰ কাৰণে এক মধুৰ সংগীতৰ দৰেই। বতাহৰ শব্দ আৰু ডাকগাড়ীৰ ইঞ্জিনৰ উকি তেওঁৰ অকলশৰীয়া ৰাতিবিলাকৰ একমাত্ৰ লগৰী আছিল। সেঠ ৰামজীমলৰ মিলত কাম কৰা কেইজনমান লোকে মাজে মাজে আহি তেওঁৰ লগত বহে; কথা পাতে। তেওঁলোকেই তেওঁৰ একমাত্ৰ বন্ধু। সেই জীৱনটো এতিয়া তেওঁৰ কাৰণে হেৰোৱা নিধিৰ দৰে। তেওঁৰ এনেকুৱা লাগে যেন জীৱনৰ দ্বাৰা তেওঁ বৰ বেয়াকৈ ঠগ খালে। জীৱনটোত তেওঁ যি বিচাৰিছিল তাৰ তেওঁ এক বিন্দুও নাপালে।

বিচনাত পৰি পৰি তেওঁ ঘৰৰ ভিতৰৰ পৰা অহা বিভিন্ন সমস্বৰধ্বনি শুনি ৰয়। বোৱাৰী আৰু পত্নীৰ সৰু সৰু কাজিয়াৰ শব্দ, বাল্টিত টেপৰপৰা পানী পৰাৰ শব্দ, ৰান্ধনীঘৰৰ কাঁহী-বাতিৰ টুং-টাং শব্দ আৰু তাৰ ভিতৰতে দুজন বাহিৰা মানুহৰ কথোপকথোন। হঠাৎ এদিন তেওঁ ঠিক কৰিলে যে ঘৰৰ কোনো বিষয়তে আৰু তেওঁ মাত নিদিয়ে। যদি গৃহস্বামীৰ

কাৰণে এখন বিচনা পাতিবলৈকো গোটেই ঘৰখনত অকণমান ঠাইৰ অভাৱ তেনেহ'লে তেওঁ ইয়াতে এনেকৈয়ে পৰি থাকিব। যদি আৰু আন ঠাইলৈ যাবলগা হয় তেন্তে তেওঁ তালৈকে যাব। যদি আপোন সন্তানৰ জীৱনত তেওঁৰ অকণমানো ঠাই নাই তথাপিও নিজৰ ঘৰতেই বাহিৰা মানুহৰ দৰেই থাকিব— আৰু সেইদিনাৰপৰা তেওঁ সচাঁকৈয়ে ঘৰৰ কোনো কথাতেই মাত নিদিয়া হ'ল। নৰেন্দ্ৰই যেতিয়াই বিচাৰে তেতিয়াইকোনো কাৰণ নোসোধাকৈ টকা দিয়ে; বাসন্তীয়ে সন্ধিয়া আন্ধাৰ হোৱালৈকে ঘৰলৈ ঘূৰি নাহিলেও তেওঁ একো নকয়। কিন্তু তেওঁ এটা কথা ভাবিহে আচৰিত হয় যে সিহঁতৰ মাকেও এই পৰিৱৰ্তন লক্ষ্য কৰা নাই। ভিতৰে ভিতৰে তেওঁ কিদৰে জহি-খহি গৈছে সেয়া তেওঁ দেখি-বুজিও নজনাৰ ভাও ধৰিছে। তেওঁ বৰং গজাধৰ বাবুৱে ঘৰুৱা কথাত মাত নমতাৰ কাৰণে পৰম শান্তিহে লাভ কৰিছে। কেতিয়াবা কেতিয়াবা তেওঁ কৈয়ে দিয়ে—

—ঠিকেই আছে আপুনি মাজত নোসোমাই ভালেই কৰিছে। ল'ৰা-ছোৱালী এতিয়া ডাঙৰ হ'ল; আমাৰ যি কৰ্তব্য কৰিলোঁ। পঢ়া-শুনা কৰিছে। বিয়া পাতি দিম; বচ্।

গজাধৰ বাবুৱে আহত দৃষ্টিৰে পত্নীৰ মুখলৈ চালে। তেওঁ অনুভৱ কৰিলে যে— তেওঁ পত্নী আৰু সন্তানৰ কাৰণে কেৱল এক ধন উপাৰ্জন কৰা যন্ত্ৰ। যিজন ব্যক্তিৰ অস্তিত্বৰ কাৰণে পত্নীয়ে শিৰত সেন্দুৰ লোৱাৰ অধিকাৰ পায়, সামাজিক প্ৰতিষ্ঠা পায়; তেওঁৰ সন্মুখত দুবেলা আহাৰ যোগান ধৰোতে পত্নীৰ সেই ব্যক্তিজনৰ প্ৰতি দায়িত্ব শেষ। তেওঁ ঘিউ আৰু চেনীৰ পাত্ৰ বিলাকৰ মাজত ইমানেই লীন হৈ গৈছিল যে— এতিয়া সেয়াই তেওঁৰ সমস্ত সংসাৰ। গজাধৰ বাবু তেওঁৰ জীৱনৰ কেন্দ্ৰবিন্দু হ'ব নোৱাৰে, এতিয়াতো তেওঁৰ জীয়েকৰ বিয়াৰ প্ৰতিও কোনো আস্থা নোহোৱা হৈছে। কোনো বিষয়তে হস্তক্ষেপ নকৰাৰ সিদ্ধান্তৰ পিছতো তেওঁৰ অস্তিত্বৰ প্ৰতি ঘৰখনৰ কোনো সদস্যই সচেতন হোৱা দেখা নগ'ল। ঘৰখনত তেওঁৰ উপস্থিতি এনে অসংগত যেন লাগিবলৈ ধৰিলে যে ঠিক যেন সজাই থোৱা চ'ৰাঘৰত তেওঁৰ অশুৱনি বিচনাখন। তেওঁৰ সকলো আনন্দ এক গভীৰ শূন্যতাত ডুব গ'ল।

এই সকলো সিদ্ধান্তৰ পিছতো গজাধৰ বাবুৱে পুনৰ এদিন ঘৰুৱা কথাত মাত নমতাকৈ থাকিব নোৱাৰিলে। স্বভাৱ অনুসৰি তেওঁৰ পত্নীয়ে লগুৱাটোৰ ওপৰত অভিযোগ কৰি আছে। তেওঁৰ মতে কাম-বন নাই কেৱল খাবৰ কাৰণেই এটা লগুৱা ৰখাৰ কোনো প্ৰয়োজন নাই। ঘৰততো তেনেকৈ একো কাম নাথাকেই। তিনিজনকৈ ঘৰখনত মতা মানুহ আছে গতিকে সৰু সৰু কামবোৰ কৰি ল'ব পাৰিব। সেইদিনাই তেওঁ হিচাব-নিকাচ কৰি লগুৱাটোক বিদায় দিলে। আবেলি অফিচৰ পৰা আহি অমৰে লগুৱাটোক বিচাৰিলত বোৱাৰীয়েকে ক'লে যে— বাবুজীয়ে লগুৱাজনক পঠাই দিছে।

—কিয়?

—কৈছে যে খৰচ বেচি হৈছে।

এই বাৰ্তালাপ যদিও সাধাৰণ আছিল তথাপি বোৱাৰীয়েকৰ কোৱাৰ ধৰণ দেখি তেওঁ আচৰিত হৈ গৈছিল। তেওঁ লক্ষ্য কৰিছিল যে ঘৰখনৰ খৰচ-পাতি, চাল-চলন তেওঁলোকৰ উপাৰ্জন ক্ষমতাতকৈ যথেষ্ট বেছি আছিল। সেইদিনা মনটো গধুৰ হৈ থকাৰ বাবে তেওঁ

ফুৰিবলৈ ওলাই নগ'ল। এনেহতে কামত বস্তিও নজ্বলালে। এই কথাৰ প্ৰতি অকণো কাণসাৰ নিদিয়াকৈ নৰেন্দ্ৰই মাকক ক'লে–

—আম্মা, তুমি বাবুজীক নোকোৱা কিয়? নিজেটো বহি বহিয়েই থাকে আৰু এতিয়া লগুৱাটোও পঠাই দিলে। বাবুজীয়ে এতিয়া ভাবিছে নেকি যে চাইকেলত কঢ়িয়াই মই এতিয়া কললৈ আটা পিচিবলৈ নিম। এইয়া মোৰ দ্বাৰা নহ'ব।

—আম্মা! বাসন্তীয়ে ক'লে–

—মই কলেজৰ পৰা ঘূৰি আহি ঘৰ ঝাড়ু দিম—এয়া মোৰ সামৰ্থ্যৰ বাহিৰত।

—বুঢ়া মানুহ! অমৰে ভোৰভোৰালে। মনে মনে পৰি থাকিব লাগে। সকলো কথাতে কিয় মাত মাতে!

পত্নীয়ে তীব্ৰ ব্যঙ্গৰে ক'লে—ইমানতেই যদি সন্তুষ্ট নহয় তেনেহ'লে তোমাৰ বোৱাৰীয়েৰাক বজাৰলৈ পঠাই দিলেই হ'ল। তেওঁ গ'লে অন্ততঃ পোন্ধৰ দিনৰ ৰেচন পাঁচ দিনতেই যোগাৰ কৰিব পাৰিব।

বোৱাৰীয়েকে কিবা কোৱাৰ আগতেই তেওঁ ভিতৰলৈ সোমাই গ'ল। কিছু সময়ৰ পিছত নিজৰ কোঠালৈ আহি তেওঁ যেতিয়া লাইট জ্বলালে তেতিয়া গজাধৰ বাবুক শুই থকা দেখি ভয়তে লেতু-সেতু হ'ল। গজাধৰ বাবুৰ ভাব-ভঙ্গীৰপৰা তেওঁ কি ভাবিছে তাৰ একো অনুমান কৰিব পৰা নাযায়। তেওঁ চকু মুদি বিচনাত চুপ-চাপ তেনেকৈয়ে পৰি ৰ'ল।

হাতত এখন চিঠি লৈ গজাধৰ বাবু ভিতৰলৈ সোমাই আহিল আৰু পত্নীক বিচাৰিলে। তেওঁ তিতা হাতেৰেই ৰান্ধনীশালৰপৰা ওলাই আহিল আৰু শাৰীৰ আঁচলেৰে হাত মচি মচি তেওঁৰ কাযত আহি থিয় হ'ল। গজাধৰ বাবুৱে কোনো ভূমিকা নকৰাকৈয়ে ক'লে-–

—ৰামজীমল সেঠৰ চেনীকলত মই এটা চাকৰি পাইছোঁ। এনেয়ে বহি থকাতকৈ ঘৰখনলৈ দুই-চাৰি পইচা আহিব সেয়ে ভাল। তেওঁতো প্ৰথমতেই কৈছিল মইহে মানা কৰিছিলোঁ। কিছু সময় ৰৈ যেন নুমাই যাব ধৰা জুইৰপৰা ফিৰিঙতিহে ওলাইছে তেনেকৈ নিম্নস্বৰত ক'লে—

—মই ভাবিছিলোঁ যে বহুত বছৰ তোমালোকৰপৰা আঁতৰে আঁতৰে থকাৰ পিছত এতিয়া অলপ অৱকাশ পাইছোঁ পৰিয়ালৰ লগত একেলগে থাকিম। যি কি নহওক পৰহিলৈ যাব লাগে তুমিও যাবা নেকি?

—মই? পত্নীয়ে আচৰিত হৈ ক'লে। মই গ'লে ইয়াত কি হ'ব? ইমান ডাঙৰ ঘৰ, তাতে আকৌ ইমান দুষ্ট ছোৱালী—

পত্নীয়ে ক'ব খোজা কথা মাজতে বন্ধ কৰি গজাধৰ বাবুৱে হতাশ কণ্ঠেৰে ক'লে—

—ঠিক আছে; তুমি ইয়াতে থাকা; মই এনেয়ে কৈ চাইছোঁ আৰু! তাৰপিছত গভীৰভাৱে মৌনতা অৱলম্বন কৰিলে।

নৰেন্দ্ৰই গভীৰ তৎপৰতাৰে বিচনা-পত্ৰ বান্ধিলে আৰু ৰিক্সাও মাতি আনিলে। গজাধৰ বাবুৰ বান্ধি থোৱা পাতল বিচনাখন আৰু এটা টিনৰ বাকচ ৰিক্সাত উঠোৱা হ'ল। বাটত

ফুৰিবলৈ ওলাই নগ'ল। এলাহতে কমত বস্তিও নজ্বলালে। এই কথাৰ প্ৰতি অকণো কাণসাৰ নিদিয়াকৈ নৰেন্দ্ৰই মাকক ক'লে—

—আম্মা, তুমি বাবুজীক নোকোৱা কিয়? নিজেটো বহি বহিয়েই থাকে আৰু এতিয়া লওৱাটোও পঠাই দিলে। বাবুজীয়ে এতিয়া ভাবিছে নেকি যে চাইকেলত কঢ়িয়াই মই এতিয়া কললৈ আটা পিচিবলৈ নিম। এইয়া মোৰ দ্বাৰা নহ'ব।

—আম্মা! বাসন্তীয়ে ক'লে—

—মই কলেজৰ পৰা ঘূৰি আহি ঘৰ ঝাড়ু দিম—এয়া মোৰ সামৰ্থ্যৰ বাহিৰত।

—বুঢ়া মানুহ! অমৰে ভোৰভোৰালে। মনে মনে পৰি থাকিব লাগে। সকলো কথাতে কিয় মাত মাতে!

পত্নীয়ে তীব্ৰ ব্যঙ্গৰে ক'লে—ইমানতেই যদি সন্তুষ্ট নহয় তেনেহ'লে তোমাৰ বোৱাৰীয়েৰাক বজাৰলৈ পঠাই দিলেই হ'ল! তেওঁ গ'লে অন্ততঃ পোন্ধৰ দিনৰ ৰেচন পাঁচ দিনতেই যোগাৰ কৰিব পাৰিব।

বোৱাৰীয়েকে কিবা কোৱাৰ আগতেই তেওঁ ভিতৰলৈ সোমাই গ'ল। কিছু সময়ৰ পিছত নিজৰ কোঠালৈ আহি তেওঁ যেতিয়া লাইট জ্বলালে তেতিয়া গজাধৰ বাবুক শুই থকা দেখি ভয়তে লেতু-সেতু হ'ল। গজাধৰ বাবুৰ ভাব-ভঙ্গীৰপৰা তেওঁ কি ভাবিছে তাৰ একো অনুমান কৰিব পৰা নাযায়। তেওঁ চকু মুদি বিচনাত চুপ-চাপ তেনেকৈয়ে পৰি ৰ'ল।

হাতত এখন চিঠি লৈ গজাধৰ বাবু ভিতৰলৈ সোমাই আহিল আৰু পত্নীক বিচাৰিলে। তেওঁ তিতা হাতেৰেই ৰান্ধনীশালৰপৰা ওলাই আহিল আৰু শাৰীৰ আঁচলেৰে হাত মচি মচি তেওঁৰ কাষত আহি থিয় হ'ল। গজাধৰ বাবুৱে কোনো ভূমিকা নকৰাকৈয়ে ক'লে—

—ৰামজীমল সেঠৰ চেনীকলত মই এটা চাকৰি পাইছোঁ। এনেয়ে বহি থকাতকৈ ঘৰখনলৈ দুই-চাৰি পইচা আহিব সেয়ে ভাল। তেওঁতো প্ৰথমতেই কৈছিল মইহে মানা কৰিছিলোঁ। কিছু সময় ৰৈ যেন নুমাই যাব ধৰা জুইৰপৰা ফিৰিঙতিহে ওলাইছে তেনেকৈ নিম্নস্বৰত ক'লে—

—মই ভাবিছিলোঁ যে বহুত বছৰ তোমালোকৰপৰা আঁতৰে আঁতৰে থকাৰ পিছত এতিয়া অলপ অৱকাশ পাইছোঁ পৰিয়ালৰ লগত একেলগে থাকিম। যি কি নহওক পৰহিলৈ যাব লাগে তুমিও যাবা নেকি?

—মই? পত্নীয়ে আচৰিত হৈ ক'লে। মই গ'লে ইয়াত কি হ'ব? ইমান ডাঙৰ ঘৰ, তাতে আকৌ ইমান দুষ্ট ছোৱালী—

পত্নীয়ে ক'ব খোজা কথা মাজতে বন্ধ কৰি গজাধৰ বাবুৱে হতাশ কণ্ঠেৰে ক'লে—

—ঠিক আছে; তুমি ইয়াতে থাকা; মই এনেয়ে কৈ চাইছোঁ আৰু! তাৰপিছত গভীৰভাৱে মৌনতা অৱলম্বন কৰিলে।

নৰেন্দ্ৰই গভীৰ তৎপৰতাৰে বিচনা-পত্ৰ বান্ধিলে আৰু ৰিক্সাও মাতি আনিলে। গজাধৰ বাবুৰ বান্ধি থোৱা পাতল বিচনাখন আৰু এটা টিনৰ বাকচ ৰিক্সাত উঠোৱা হ'ল। বাটত

খাবৰ বাবে দিয়া সাধাৰণ টিফিনৰ বাকচটো হাতত লৈ গজাধৰ বাবু ৰিক্সাৰ ওপৰত উঠি বহিল। এবাৰ পৰিয়ালৰ সদস্য কেইজনৰ ওপৰেৰে দৃষ্টি বিলালে আৰু তাৰ পিছত বিপৰীতফালে চকু দিলে। ৰিক্সা চলিবলৈ ধৰিলে। তেওঁ গুচি যোৱাৰ পিছত সকলো ভিতৰলৈ সোমাই আহিল। বোৱাৰীয়েকে অমৰক ক'লে–

—চিনেমা চাবলৈ যাওঁ ব'লানা?

বাসন্তীয়েও উৎসাহেৰে ক'লে —

—ময়ো যাম লগত।

গজাধৰ বাবুৰ পত্নীয়ে চিধা ৰান্ধনীশাল পালেগৈ। গজাধৰ বাবুৱে বাটত খাবৰ বাবে বনাই দিয়া লাড্ডুৰ লগৰ নবন্ধাকৈ ৰখা বেচনখিনি টেমা এটাত ভৰাই ভালকৈ থৈ দিলে। পিচত বাহিৰলৈ ওলাই আহি ক'লে—

—নৰেন্দ্ৰ, বাবুজীৰ বিচনাখন কোঠাৰপৰা উলিয়াই দিয়া। ইয়াত ইফাল-সিফাল কৰিবলৈকে ঠাই নোহোৱা হৈছে।

অনুঃ— ড° ৰেণুভূএগ শইকীয়া।

*****

# গান্ধী

বেছগৰহাল্লি ৰামা
মূল ঃ কানাড়ী গল্প

এদিনাখনৰ কথা।

সিদিনাখন আছিল সোমবাৰ।

গাঁওখনৰ প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰত ৰোগীয়ে ভিৰ কৰিছিল। চহৰৰ ডাঙৰ হাস্পাতালৰ দৰে এইখন স্বাস্থ্যকেন্দ্ৰত বিশেষ নিয়ম-কানুন নাই। নাম-ধাম লিখোৱাৰ দৰকাৰ নাই, জাত-ধৰ্মৰ কথাও লিখাব নালাগে। ডাক্তৰৰ কাষলৈ গ'লেই হ'ল। ইজনৰ পিছত সিজনক ডাক্তৰে পৰীক্ষা কৰে, ঔষধ দিয়ে।

অৱশ্যে আপুনি যদি কোনো বিখ্যাত লোক নহয়, সকলোৰে আগেয়ে আহি উপস্থিত হ'লেও আপুনি ডাক্তৰৰ বাবে বহুসময় বাট চাবলগীয়া হ'ব পাৰে। কিন্তু আপুনি যদি কোনোবা বিখ্যাত ব্যক্তি, সকলোৰে পিছত আহিলেও আপুনি লাভ কৰিব ৰাজকীয় অভ্যৰ্থনা। যিসকল সৰ্বসাধাৰণ ৰাইজ তেওঁলোকে স্বাভাৱিকতেই ডাক্তৰৰ বাবে অপেক্ষা কৰি ক্লান্ত হৈ পৰে, যন্ত্ৰণাত কেঁকাই-গেঁথাই সময় পাৰ কৰিবলগীয়া হয়। নতুবা সাধাৰণ ৰোগীসকলে ইফালে-সিফালে অহা-যোৱা কৰি ডাক্তৰ আৰু নাৰ্চসকলৰ দৃষ্টি আকৰ্ষণ কৰিবলৈ চেষ্টা কৰে।

সেয়ে দূৰণি বেলকৰ গাঁৱৰ এগৰাকী মহিলা আৰু কিশোৰ এজনে কাউৰী পুৱাতে হাস্পাতালত উপস্থিত হৈ বাৰাণ্ডাৰ এচুকত শুই শুই দীৰ্ঘকাল ডাক্তৰৰ বাবে অপেক্ষা কৰি থকাৰ ক্ষেত্ৰত আচৰিত হ'বৰ একো নাই। মাকগৰাকীৰ বয়স

দুকুৰি। পুতেকে বাৰাণ্ডাৰ খুঁটাত আউজি সমুখেৰে অহা-যোৱা কৰা মানুহবোৰক লক্ষ্য কৰি আছে। তাৰ দুচকুত কৌতূহলৰ লেশমানো নাই। মাত্ৰ পোন্ধৰ বছৰ বয়সতে সমগ্ৰ জগতখনকে উপেক্ষা কৰাৰ মন্ত্ৰ সি শিকি লৈছে। বহি বহি ক্লান্ত হৈ সি কাষতে থকা মাকৰ শাৰীৰ আঁচলখন ধৰি টানিব ধৰিলে।

'মা, ৰ'দৰ প্ৰচণ্ড তাপ আৰু সহ্য কৰিব নোৱাৰি। ব'লা উভতি যাওঁ।'

'মনে মনে থাক বাপু, ইমানদূৰ আহিলোঁ ডাক্তৰক নেদেখুৱাকৈ নাযাওঁ।'

'কিন্তু সেই কাউৰীয়ে কা-কা কৰোঁতেই আহি পালোঁ— কিমান আৰু বৈ থাকিম?' সি অধৈৰ্য হৈ পৰে।

'ইয়াত আমাৰ কথানো আৰু কোনে শুনিব?'

মাকৰ কথাৰ মাজত লুকাই থকা চৰম হতাশাৰ সুৰে পুতেককো হতাশ কৰি তুলিলে। সি অনুভৱ কৰিলে— সিহঁতৰ দৰে মানুহবোৰে এইদৰেই অপমান আৰু যন্ত্ৰণাৰ বোজা কঢ়িয়াবলগীয়া হৈছে। সি ক'লে— 'মা ব'লা, যাওঁগৈ। এইদৰে বহি থাকিয়েনো কি লাভ?'

মাকে ভৎৰ্সনা কৰে— 'সদায়েই তোৰ একেটাই কথা, মৰাই ভাল, জীয়াই থাকি আৰু কি লাভ?'

'বাচি থাকিলেইনো মই ক'ৰ লাট-বাহাদুৰ হ'মগৈ?'

পুতেকৰ মুখত এনে কথা শুনি মাকজনী অলপো আচৰিত নহ'ল। ল'ৰাজনৰ বয়স আৰু অভিজ্ঞতাৰ তুলনাত কথাবোৰ যথেষ্ট গুৰু-গম্ভীৰ যেন লাগিলেও দৰাচলতে এইবোৰ তাৰ জীৱন নামৰ জ্বলন্ত জুইশলাৰ পৰা ওলাই অহা অগ্নিস্ফুলিংগহে। মাকজনীয়ে শাৰীৰ আঁচলেৰে দুচকুৰে বৈ অহা চকুলো দুধাৰি মচি ল'লে। হঠাতে থিয় দিলে ল'ৰাজনে। নাই, এনে যন্ত্ৰণা, হতাশা আৰু অপমান আৰু সহ্য কৰিব নোৱাৰি।

'ক'লৈ যাবি?'

'ডাক্তৰৰ কাষলৈ?'

'কিন্তু তই যে একেবাৰে দুৰ্বল হৈ পৰিছ। থিয় দিবই নোৱাৰ। পৰি যাবি দেখোঁ।'

মাকে বাধা দিবলৈকে নাপালে, সি খুঁটাত ধৰি কোনোমতে থিয় হ'ল। তাৰ পিছত ডাক্তৰ বহা কোঠালিটোৰ ফালে আগবাঢ়ি গৈ বৈ থকা মানুহবোৰক ঠেলি-হেঁচি সি ডাক্তৰৰ সমুখত উপস্থিত হ'লগৈ।

'ছাৰ, আমি মানে মা আৰু মই সেই ৰাতিপুৱাৰে পৰা বৈ আছোঁ।' ডাক্তৰজনে ডিঙি মেলি চালে, তেওঁৰ সমুখত শেতা বৰণীয়া দীঘল ল'ৰা এজন থিয় হৈ আছে, মুজা

কাণ, উফন্দি উঠা পেট। মুখমণ্ডলত খঙৰ স্পষ্ট অভিব্যক্তি।

ল'ৰাজনে আকৌ ক'লে— 'মোক অলপ চাই দিব নেকি?'

ডাক্তৰজনে ল'ৰাজনৰ ফালে চালে। সঁচাকৈয়ে এক অদ্ভুত চীজ!

'হয়, হয়' ডাক্তৰজনৰ মাতত বিদ্রূপৰ সুৰ স্পষ্ট 'তোমাকতো আগৰে পৰা দেখি আহিছোঁ বাপা। পেটটো উফন্দি উঠিছে, হাত-ভৰিবোৰ সৰু সৰু। কাণ দুখন মহাত্মা গান্ধীৰ কাণৰ দৰে।'

ল'ৰাজনে সোঁহাতখন আগুৱাই দিলে, মিনতি কৰি ক'লে— "অনুগ্ৰহ কৰি ছাৰ মোৰ কি বেমাৰ হৈছে যদি কৈ দিলেহেঁতেন।'

কৌতুহলী জনতাৰ পিছফালৰ পৰা শুনা গ'ল এগৰাকী মহিলাৰ কান্দোনমিশ্রিত কথাৰ সুৰ, 'খং নকৰিব ডাঙৰীয়া। সি মোৰ একমাত্ৰ পুত্ৰ।'

ডাক্তৰবাবুৰ মনত দয়া উপজিল। তেওঁ ভাবিলে কিজানি তেওঁৰ জাতিৰে ল'ৰা। নতুবা হয়তো হঠাতেই তেওঁৰ মনত পৰিল ডাক্তৰী শাস্ত্ৰৰ মূলমন্ত্ৰ ঃ ডাক্তৰসকলৰ অন্তৰখন সদায় কোমল হোৱা উচিত।

'তোমাৰ ল'ৰা নেকি?'

'কি নাম তাৰ?'

'গান্ধী, বাবু।'

ডাক্তৰজনে হাঁহি দিলে, 'কি ধেমালি কৰিছা? মই এইমাত্ৰ ক'লোঁ তাৰ কাণ দুখনৰ গঢ় গান্ধীৰ দৰে আৰু তুমি লগে লগেই তাক গান্ধী বনাই দিলা।'

নাই ডাঙৰীয়া, মই যদি মিছা কথা কৈছোঁ ভগৱানে যেন মোৰ জিভাখন ছিঙি নিয়ে। শপত খাই কৈছোঁ— মোৰ ল'ৰাৰ নাম গান্ধী।'

ল'ৰাজনেও দৃঢ়তাৰে ক'লে— 'মহাত্মা গান্ধী, ছাৰ। সেয়াই মোৰ নাম। ভগৱানৰ নামত শপত খাই কৈছোঁ।'

'গান্ধী!' ডাক্তৰজনৰ মুখৰ মাত হৰিল। জীৱনত তেওঁ কেতিয়াও এনে কাকতলীয় পৰিস্থিতিৰ সন্মুখীন হ'বলগীয়া হোৱা নাই। তেওঁ ভাবিলে সহকৰ্মীসকলৰ লগত এই ঘটনা সন্দৰ্ভত আলোচনা কৰাটো উচিত হ'ব। চকীদাৰজনক মাতিলে তেওঁ— 'নাইডু।' ক'বতো নোৱাৰি পিছত যদি তেওঁ ল'ৰাজনৰ কাহিনীটো বন্ধু-বান্ধৱক কওঁতে তেওঁলোকে কাহিনীটোক গাজাখুৰী গল্প বুলি বিশ্বাস নকৰে, সেয়ে সাক্ষী ৰক্ষা দৰকাৰ। 'নাইডু, তেওঁলোকক মাতা। নৰছিমামূৰ্তি, ছাৰছন্মা... সকলোকে মাতা। মই সকলোকে মাতিছোঁ বুলি ক'বা।' সকলোৱেই আহি উপস্থিত হ'ল। কোনেও অৱশ্যে কথাটো বিশ্বাস নকৰিলে। হাঁহি উৰুৱাই দিলে। পৰিয়াল পৰিকল্পনা দপ্তৰৰ

নতুন সম্প্ৰসাৰণ বিষয়া নৰছিমামূৰ্তিয়ে এনেকৈ হাঁহিব ধৰিলে যে ডাক্তৰৰ অলপ খঙেই উঠিল।

'মোৰ কথা বিশ্বাস নহ'লে তোমালোকে ল'ৰাটোক সুধি চোৱানা।'

মূৰ্তিয়ে ডাক্তৰবাবুৰ চকীখনৰ ওপৰফালে দেৱালত আঁৰি থোৱা ফটো এখন দেখুৱাই প্ৰশ্ন কৰিলে,

'বাবা কোৱাচোন এইখন কাৰ ছবি?'

'মহাত্মা গান্ধীৰ।'

'তোমাৰ নাম?'

'মহাত্মা গান্ধী, ছাৰ।'

'মিছা কথা নক'বা।'

'মিছা কথা কৈ মই সাত ৰজাৰ ধন পাম নেকি?'

সকলো নিৰ্বাক। প্ৰত্যেকজনেই ইজনে সিজনৰ ফালে চাইছে। এবাৰ তেওঁলোকে দেৱালত আঁৰি থোৱা মহাত্মা গান্ধীৰ ফালে দৃষ্টি নিক্ষেপ কৰিছে, লগে লগেই চাইছে তেওঁলোকৰ সমুখত থিয় হৈ থকা জীৱন্ত 'মহাত্মা গান্ধী'ৰ ফালে।

'মোক এবাৰ পৰীক্ষা কৰি চাওক ছাৰ, মোৰ বেমাৰটোনো কি?' ল'ৰাজনে অনুৰোধ কৰিলে।

'তোমাৰ নামটো কোনে ৰাখিছিল?'

'আমাৰ ককাদেউতা কৰিসিদ্ধে গৌড়াই।'

নাৰ্চক কোৱা হ'ল ল'ৰাজনক কাষৰ কোঠালি এটালৈ লৈ যাবলৈ। ডাক্তৰে তাৰ জিভা, চকু, ডিঙি, হাওঁফাওঁ সকলোবোৰ পৰীক্ষা কৰিলে।

তাৰ পিছত তাৰ মাকক সুধিলে—

'তোমাৰ নাম কি?'

'নিগাংমা, বাবু।'

'চোৱা নিগংমা, তোমাৰ ল'ৰাৰ লিভাৰ ছিৰোছিচ হৈছে। পেটত পানী জমা হৈছে। হাৰ্টৰ গোলমাল। লিভাৰৰ অৱস্থা আৰু বেয়া হ'ব পাৰে। তেতিয়া স্পৰ্শ কৰিলেই গান্ধীয়ে বিষত চিঞৰি দিবলগীয়া হ'ব।'

'ইমানবোৰ কথা মই বুজি নাপাওঁ, ডাক্তৰবাবু। মাত্ৰ তিনি মাইলৰ বাট, এইখিনি আহোঁতেই সি ক্লান্ত হৈ অতি কমেও ত্ৰিছবাৰ বহি পৰিছে। নিজকে বৰ কষ্ট কৰি সি ইয়ালৈ টানি আনিছে। তাৰ প্ৰাণটো বচাওঁক ডাক্তৰবাবু। বাপেক মৰা ল'ৰা। দয়া কৰক।'

নতুন সম্প্ৰসাৰণ বিষয়া নবছিমামূৰ্ত্তিয়ে এনেকৈ হাঁহিব ধৰিলে যে ডাক্তৰৰ অলপ খঙেই উঠিল।

'মোৰ কথা বিশ্বাস নহ'লে তোমালোকে ল'ৰাটোক সুধি চোৱানা।'

মূৰ্ত্তিয়ে ডাক্তৰবাবুৰ চকীখনৰ ওপৰফালে দেৱালত আঁৰি থোৱা ফটো এখন দেখুৱাই প্ৰশ্ন কৰিলে,

'বাবা কোৱাচোন এইখন কাৰ ছবি?'

'মহাত্মা গান্ধীৰ।'

'তোমাৰ নাম?'

'মহাত্মা গান্ধী, ছাৰ।'

'মিছা কথা নক'বা।'

'মিছা কথা কৈ মই সাত ৰজাৰ ধন পাম নেকি?'

সকলো নিৰ্বাক। প্ৰত্যেকজনেই ইজনে সিজনৰ ফালে চাইছে। এবাৰ তেওঁলোকে দেৱালত আৰি থোৱা মহাত্মা গান্ধীৰ ফালে দৃষ্টি নিক্ষেপ কৰিছে, লগে লগেই চাইছে তেওঁলোকৰ সমুখত থিয় হৈ থকা জীৱন্ত 'মহাত্মা গান্ধী'ৰ ফালে।

'মোক এবাৰ পৰীক্ষা কৰি চাওক ছাৰ, মোৰ বেমাৰটোনো কি?' ল'ৰাজনে অনুৰোধ কৰিলে।

'তোমাৰ নামটো কোনে ৰাখিছিল?'

'আমাৰ ককাদেউতা কৰিসিদ্ধে গৌড়াই।'

নাৰ্চক কোৱা হ'ল ল'ৰাজনক কাষৰ কোঠালি এটালৈ লৈ যাবলৈ। ডাক্তৰে তাৰ জিভা, চকু, ডিঙি, হাওঁফাওঁ সকলোবোৰ পৰীক্ষা কৰিলে।

তাৰ পিছত তাৰ মাকক সুধিলে—

'তোমাৰ নাম কি?'

'নিগাংমা, বাবু।'

'চোৱা নিগংমা, তোমাৰ ল'ৰাৰ লিভাৰ ছিৰোছিচ হৈছে। পেটত পানী জমা হৈছে। হাৰ্টৰ গোলমাল। লিভাৰৰ অৱস্থা আৰু বেয়া হ'ব পাৰে। তেতিয়া স্পৰ্শ কৰিলেই গান্ধীয়ে বিষত চিঞৰি দিবলগীয়া হ'ব।'

'ইমানবোৰ কথা মই বুজি নাপাওঁ, ডাক্তৰবাবু। মাত্ৰ তিনি মাইলৰ বাট, এইখিনি আহোঁতেই সি ক্লান্ত হৈ অতি কমেও ত্ৰিছবাৰ বহি পৰিছে। নিজকে বৰ কষ্ট কৰি সি ইয়ালৈ টানি আনিছে। তাৰ প্ৰাণটো বচাওঁক ডাক্তৰবাবু। বাপেক মৰা ল'ৰা। দয়া কৰক।'

'তোমাৰ স্বামীৰ কি হৈছিল?'

'খেজুৰ গছৰ পৰা ৰস সংগ্ৰহ কৰি বিক্ৰী কৰিছিল। এদিন গছৰ পৰা পৰি মৰি থাকিল।'

'অ'হ। এতিয়া তোমাৰ ল'ৰাৰ এক্সৰে কৰিব লাগিব। তেজ, প্ৰেচাৰ পৰীক্ষা কৰিব লাগিব। হাৰ্টো। ইয়াত এইবোৰৰ ব্যৱস্থা নাই। জিলা হাস্পাতাললৈ নিব লাগিব। তোমাক মই চিঠি এখন লিখি দিম। চিন্তা নকৰিবা। এইয়া লোৱা, গান্ধীৰ বাবে মই দুটা টেবলেট দিছোঁ। টেবলেট দুটা খালে তাৰ পেটত জমা হোৱা পানী অলপ কমিব।

নাৰ্চজনীয়ে পানী এগিলাচ আনি দিলে। গান্ধীয়ে টেবলেট দুটা খালে। ডাক্তৰে জিলা হাস্পাতাললৈ চিঠি এখন লিখি দিলে।

কৰিসিদ্ধে গৌড়াই বুজি পাইছিল নাতিয়েকৰ শাৰীৰিক অৱস্থা ভাল নহয়। অৱশ্যে সেয়া যিকোনো মানুহেই বুজি পাব পাৰে। গৌড়াৰ সকলো আশা-ভৰষাৰ কেন্দ্ৰ তেওঁৰ একমাত্ৰ ছোৱালী নিগাংমা আৰু তাইৰ ছোৱালী পদ্মী আৰু ল'ৰা গান্ধী। পদ্মীয়ে অৱশ্যে বিয়াৰ পিছত পৰৰ ঘৰলৈ যাব। গৌড়াই সেয়ে তেওঁৰ সমগ্ৰ মৰম-চেনেহৰ ভাণ্ডাৰ উজাৰ কৰি দিছে গান্ধীৰ ওপৰত। কিদৰে পাহৰিব তেওঁ সেই ঘটনাৰ কথা? গান্ধীৰ নামকৰণৰ দিনটো, পোন্ধৰ বছৰ আগৰ সেই দিনটোৰ কথা?

পোন্ধৰ বছৰ আগৰ কোনো এক সন্ধিয়া জোঁৱায়েক বুকুৱে গৌড়াৰ সৈতে ঘৰলৈ উভতিছিল তেওঁ। ঘৰত তেওঁ লাভ কৰিছিল এক নতুন উপহাৰ। অতুলনীয় উপহাৰ। নৱজাত শিশু, গৰম কাপোৰেৰে মেৰিয়াই থোৱা হৈছে। বৃদ্ধ মানুহজনৰ মনটো আনন্দেৰে উপচি পৰিছিল। তেওঁৰ নাতি ল'ৰা এটা জন্ম পাইছে। শিশুটোৰ মুজা কাণ দুখন দেখি গৌড়াৰ তাৰ প্ৰতি এক অদ্ভুত আকৰ্ষণ জন্মিছিল। দৌৰি গৈছিল গাঁৱৰ পুৰোহিতজনৰ কাষলৈ। তাৰ জন্ম লগ্নও আছিল শুভ। আৰু গৌড়াই আছিল সেই অঞ্চলৰ একমাত্ৰ মানুহ, যিজনে বহুবছৰ আগেয়ে মহাত্মা গান্ধীৰ দৰ্শন লাভৰ বাবে শিৱপুৰলৈ গৈছিল। পুৰোহিতে ক'লে— শিশুটোৰ নামকৰণ কৰা হওক 'গান্ধী' বুলি। গৌড়া ইমান সহজ-সৰল লোক যে কোনোবাই যদি ক'লেহেঁতেন যে তেওঁৰ ছোৱালীৰ গৰ্ভত মহাত্মা গান্ধীৰ জন্ম হৈছে, বৃদ্ধই সেই কথাকে বিশ্বাস কৰিলেহেঁতেন।

গৌড়াৰ সম্পত্তি বুলিলে আছিল দুই একৰ খেতিৰ মাটি আৰু তেওঁ বাস কৰা ঘৰৰ ভেটিটো। চৰকাৰে কিছুদিন পূৰ্বে এক একৰ ভূমি তেওঁৰ হাতৰ পৰা কাঢ়ি নিছে— দুখীয়া মানুহৰ পুনৰ্বাসনৰ বাবে। জোঁৱায়েকৰ অকাল মৃত্যুতকৈ এই কথাটোৱেহে তেওঁক অধিক আঘাত দিছিল। নিজৰ খেতিৰ মাটিৰ একাংশ হেৰুৱাই বৃদ্ধগৰাকী ম্ৰিয়মান হৈ পৰিছিল। সেয়ে গান্ধীৰ শাৰীৰিক অৱস্থা সন্দৰ্ভত ইমানদিনে

চিন্তা কৰিবলৈ গৌড়াই অৱকাশেই পোৱা নাছিল।

নিগাংমাই ডাক্তৰৰ চিঠিখন আনি দিয়াৰ পিছত বৃদ্ধগৰাকী হতভম্ব হৈ পৰিল। গান্ধীক জিলা হাস্পাতাললৈ লৈ যাব লাগিব। হাতত থকা টকা-পইচাখিনি লৈ পৰিয়ালটোৰ সকলোৰে মিলি পিছদিনাখন জিলা হাস্পাতাললৈ যাত্ৰা কৰিলে।

দুপৰীয়া তেওঁলোক গৈ জিলা হাস্পাতাল পালেগৈ। ৰোগীৰ নাম-ধাম লিখি থকা কেৰাণীজনে চিঠিখনৰ বক্তব্য পঢ়ি উঠি ৰোগীৰ নামটো বিৰবিৰাই দুবাৰমান উচ্চাৰণ কৰিলে। তাৰ পছিত সিদ্ধি গৌড়াক সুধিলে, 'তোমাৰ লগত কোনজন ৰোগী আহিছে?'

ৰোগীক তেওঁৰ সমুখলৈ অনা হ'ল। কেৰাণীজনে হাঁহি হাঁহি কৰিসিদ্ধি গৌড়ালৈ চাই ক'লে— 'ইয়াৰ নামটোনো কি? মহান্তে গৌড়া? লিখিছে— মহাত্মা গান্ধী।'

গৌড়াই ক'লে— 'ছাৰ ডাক্তৰে ঠিকেই লিখিছে। তাৰ নাম মহাত্মা গান্ধী।'

কেৰাণীজন আচৰিত হ'ল। গান্ধীৰ ফালে একেথৰে কিছুসময় চাই থাকিল। তাৰ পিছত ক'লে—'ঠিক আছে। এই কাগজখন লোৱা।' তাৰ পিছত তাৰ হাতত সৰু কাগজ এখন দিলেহি।

কোনোবা এজনে নি এখন প্ৰকাণ্ড টেবুলৰ চাৰিওকাষে বহি থকা এদল ডাক্তৰৰ সমুখত নি থিয় কৰাই দিলে। তাৰ নামটো শুনি সকলোৰে সশব্দে হাঁহি দিলে। এজনে চিঞৰি ক'লে— 'মহাত্মা গান্ধীক ভিতৰলৈ লৈ যোৱা।'

মহাত্মা গান্ধীক এটা কোঠালিলৈ লৈ যোৱা হ'ল। ডাক্তৰসকলে তাৰ কিবাকিবি পৰীক্ষা কৰি গৌড়াক ভিতৰলৈ মাতি পঠিয়ালে। 'তোমাৰ নাতিৰ কিডনী আৰু হাৰ্টৰ গোলমাল। আমি ঔষধ লিখি দিছোঁ। হয়তো ভাল হ'বও পাৰে।'

গৌড়াৰ এনেকুৱা লাগিল যেনিবা তেওঁক কোনোবাই গভীৰ পানীৰ তললৈহে ঠেলি দিছে। থোকাথুকি মাতেৰে তেওঁ ক'লে— 'তাক দয়া কৰক ছাৰ। মোৰ নাতিটোক আৰোগ্য কৰি দিয়ক। তাক ইয়াত কিছুদিন ৰাখক। তাৰ বাবে যিখিনি কৰিব, ধৰি ল'ব সেই দেৱতাগৰাকীৰ বাবেই কৰি আছে।' অলপপৰ ৰৈ দেৱালত থকা মহাত্মা গান্ধীৰ ছবিৰ প্ৰতি গৌড়াই সশ্ৰদ্ধ প্ৰণাম জনালে। তেওঁৰ দুচকু চকুলোৰে উপচি পৰিল। ডাক্তৰসকলো নিৰ্বাক হৈ পৰিল। মহাত্মা গান্ধীক পুৰুষসকলৰ ৱাৰ্ডত ভৰ্তি কৰা হ'ল।

মহাত্মা গান্ধীৰ কাহিনীটো আৰু দীঘলীয়া নকৰাটোৱেই উচিত হ'ব যেন পাওঁ। ত্ৰিশজন ৰোগী থাকিব পৰা ৱাৰ্ডত যাঠীজন ৰোগী ভৰ্তি কৰা হৈছে। গান্ধীক কোঠালিটোৰ মজিয়াতে বিচনা পাৰি দিয়া হ'ল। এক্সৰে কৰি ঔষধো দিয়া হ'ল। গৌড়াই লগত অনা টকাখিনি তিনিদিনতে শেষ হ'ল।

চতুৰ্থদিনা গান্ধীয়ে যেতিয়া দেখিলে তাৰ মাকে দুলযোৱা খুলি ককাদেউতাকৰ

হাতত দিছেহি, সি তেওঁক মাতি ক'লে— 'ককা, তুমি মোক ঘৰলৈ লৈ ব'লা। মোৰ কপালত যি লিখা আছে সেয়াই হ'ব।' বৃদ্ধ মানুহজনে আৱেগবিহ্বল হৈ ক'লে— 'তেনে কথা নক'বি গান্ধী, মই এতিয়াও জীয়াই আছোঁ। তোক মই আৰোগ্য কৰি তুলিমেই।'

[illegible]ান্ধীৰ মনটো বি[illegible]িলে। তাৰ ককাদেউতাকে তাক ইমান ভালপায় ! তেওঁৰ কোলাত [illegible]টো থৈ গান্ধীয়ে ক'লে— 'মই মৰিলে আমাৰ ঘৰৰ সমুখৰ কঠাল গছজোপাৰ [illegible]ত মোক কবৰ দিবা। কোৱা দিবা নে নাই?' কৰিসিদ্ধে গৌড়াই উচুপি উঠিল। নিগাংমাৰো দুচকুৰে বৈ আহিল দুধাৰি চকুলো।

'মোৰ ধনটো, মই তোক মৰিব দিব নোৱাৰোঁ, মোৰ সোণটো।' তাইও ফেকুৰি ফেকুৰি [illegible]ান্দিবলৈ ধৰিলে।

ডাক্তৰ এগৰাকীয়ে কাষ চাপি আহি মহাত্মা গান্ধীক পৰীক্ষা কৰি বিবাকিবি লিখিলে। তাৰ পিছত গৌড়াক ঔষধবোৰ তৎক্ষণাত কিনি আনিবলৈ কৈ অইন ৰোগীবোৰক পৰীক্ষা কৰিবলৈ আঁতৰি গ'ল। গাঁৱলৈ উভতি আহি গৌড়াই দুলযোৰ বন্ধকীত দিবলৈ চেষ্টা কৰিলে। দুই-এজনে ক'লে— কঠাল গছজোপা বিক্ৰী কৰিলে তেওঁলোকে কিনিব পাৰে। বৃদ্ধগৰাকীয়ে তেতিয়া কঠাল গছজোপাকে বিক্ৰী কৰিবলৈ সিদ্ধান্ত ল'লে। এইবোৰ কৰোঁতেই দুদিন পাৰ হ'ল। পাঁচশ টকা যোগাৰ কৰি বাছত উঠি গৌড়াই আহি হাস্পাতাল পালে। নিগাংমা আৰু পদ্মীয়ে হাস্পাতালৰ দুৱাৰমুখত থিয় হৈ কান্দি আছে। গৌড়াই নুসুধিলে, 'গান্ধী কেনে আছে?' লাহেকৈ মাথোঁ জানিব খুজিলে— 'কেতিয়া?'

'গভীৰ ৰাতি। তাক ভিতৰতে ৰাখি থৈছে।' শোকাতুৰা মাতৃক সান্ত্বনা দিবলৈ গৌড়াই ক'লে— 'নাকান্দিবা। মানুহেইতো মৰে, শিলখণ্ডৰ জানো কেতিয়াবা মৃত্যু হয়?' তাৰ পিছত আগুৱাই গ'ল সেই কোঠালিটোৰ ফালে য'ত গান্ধীৰ মৃতদেহটো ৰখা হৈছে।

14533